**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-09-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

## Headlines

ৰাজ্য চৰকাৰে ১৫ ছেপ্তেম্বৰত সমগ্ৰ ৰাজ্যতে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষা পাতিবলৈ যোজা প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। অন্যান্য জিলাৰ লগতে যোৰহাট জিলাতো পৰীক্ষাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জিলাখনত ১৩৩ টা পৰীক্ষা কেন্দ্ৰত ৫৫ হাজাৰ ৫০৯ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষা কেন্দ্ৰসমূহত নিৰাপত্তাৰ বাবে চাৰি বেৰ আৰু পৰীক্ষাৰ্থীসকলৰ সুবিধাৰ্থে কোঠাসমূহ সাজু কৰি তোলা হৈছে। আজি জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকে জিলাখনৰ পশ্চিম চক্ৰৰ পৰীক্ষা কেন্দ্ৰসমূহ পৰিদৰ্শন কৰি পৰীক্ষাৰ প্ৰস্তুতিৰ বুজ লয়। আনহাতে সোণিতপুৰ জিলা প্ৰশাসনে পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে নিয়ন্ত্ৰণ কক্ষ স্থাপনৰ দিহা কৰিছে। ১৫ ছেপ্তেম্বৰৰ দিনা তেজপুৰৰ ডি ডি এম এ কনফাৰেন্স হ'লৰ পৰা পৰিচালিত হ'বলগীয়া নিয়ন্ত্ৰণকক্ষলৈ পৰীক্ষাৰ্থীসকলে সহায়ৰ বাবে যোগাযোগ কৰিব পাৰিব। নিয়ন্ত্ৰণ কক্ষৰ বাবে ৯৪৩৫৩ ৭১৬৭২ আৰু ০৩৭১২ ২৬১০০০ নম্বৰ মুকলি কৰা হৈছে।

আনহাতে, ডিব্ৰুগড় জিলাত অহা ১৫ আৰু ২৯ ছেপ্তেম্বৰৰ লগতে ২৭ অক্টোবৰত ৬৯টা পৰীক্ষা কেন্দ্ৰত হ'বলগীয়া প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে যাতে অনুষ্ঠিত হয়, তাৰবাবে জিলা দণ্ডাধীশে অহা ১৫, ২৯ ছেপ্তেম্বৰ আৰু ২৭ অক্টোবৰত জিলাখনৰ আটাইকেইটা কেন্দ্ৰত প্ৰযোজ্য হোৱাকৈ ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩ৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ বাধা আৰোপ কৰিছে।

০০০০০০০

অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে আজি গুৱাহাটী মহানগৰীৰ সমীপৱৰ্ত্তী সোণাপুৰৰ কচুতলীত উপস্থিত হৈ অঞ্চলটোত অবৈধভাৱে দখল কৰা ভূমি উচ্ছেদক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উত্তেজনাময় পৰিস্থিতিৰ বুজ লয়। জিলা উপায়ুক্তৰ সৈতে পৰিস্থিতিৰ পৰ্যালোচনা কৰি শ্ৰী সিঙে জনজাতীয় অধ্যুষিত ভূমি অবৈধভাৱে দখল কৰা লোকসকলক উচ্ছেদ কৰা হৈছে বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে সোণাপুৰৰ কচুতলীত কালি ভূমি উচ্ছেদক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সংঘৰ্ষত দুগৰাকী ব্যক্তি নিহত হোৱাৰ লগতে আৰক্ষীকে ধৰি ২২ গৰাকী চৰকাৰী বিষয়া আহত হয়। এই সন্দৰ্ভত আৰক্ষীয়ে ইতিমধ্যে কেইবাজনো লোকক আটক কৰিছে। প্ৰশাসনে সেই অঞ্চলটোৰ পৰা আঁতৰি যাবলৈ পূৰ্বে জাননী জাৰি কৰিছিল যদিও লোকসকলে সেই ভূমি এৰি নোযোৱাত আৰক্ষী প্ৰশাসনে উচ্ছেদ অভিযান চলাইছিল। কিন্তু একাংশ লোকে উচ্ছেদত বাধা দিয়াৰ ফলতেই এই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

০০০০০০০০

সোণাপুৰৰ কচুতলিত কালি সৃষ্টি হোৱা অনাহূত পৰিস্থিতি সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, ঠাইখনত বে-আইনীভাৱে বসতি স্থাপন কৰাৰ আঁৰত এটা দালাল চক্ৰই কাম কৰি থকাৰ তথ্য পোহৰলৈ আহিছে। প্ৰশাসনে অতি সোনকালেই দালাল চক্ৰটোক চিনাক্ত কৰি প্ৰয়োজনীয় ব্যৱস্থা ল'ব। লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, জনজাতিয় লোকসকলৰ ভূমি সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে আপোচ নকৰে।

আইনী প্ৰক্ৰিয়াৰে উচ্ছেদ চলাই যোৱা হ'ব। আনহাতে ট্ৰাইবেল বেল্ট এণ্ড ব্লক আইনখন কংগ্ৰেছ চৰকাৰে প্ৰৱৰ্তন কৰা বুলি উল্লেখ কৰি কয় যে, কচুতলীত কংগ্ৰেছ দলে সভাপাতি বেদখলকাৰীক উচতনি দিছিল।

oooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেৱছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

oooooooo

দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ বাংৰীচৰত আজি ৪৪ লাখ টকা ব্যয় সাপেক্ষ এটা জি প্লাচ ওৱান উপ স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ কাম শুভাৰম্ভ কৰা হয়। মানকাচৰৰ বিধায়ক আমিনুল ইছলামে জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ মিনহাস চৌধুৰীৰ উপস্থিতিত আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে। অহা ছমাহৰ ভিতৰত নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানে সংশ্লিষ্ট পক্ষক নিৰ্দেশ দিছে। ৰাজ্য চৰকাৰে প্ৰতিখন জিলাৰ বিশেষকৈ গাওঁ অঞ্চলত স্বাস্থ্য খণ্ডত আমূল পৰিৱৰ্তন অনাৰ উদ্দেশ্যে গ্ৰহণ কৰা জি প্লাছ ওৱান উপস্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ পদক্ষেপৰ অধীনত এই নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছে। দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ মানকাছৰ সমষ্টিত মুঠ ১৯ টা জি প্লাছ ওৱান উপস্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। ইয়াৰে অধিকাংশ কেন্দ্ৰ অহা ২ - ৩ মাহৰ ভিতৰত মুকলি কৰিবলৈ জিলা স্বাস্থ্য বিভাগে তৎপৰতা আৰম্ভ কৰিছে। এই কেন্দ্ৰসমূহৰ জৰিয়তে গাওঁ অঞ্চলৰ লোকসকলে সচৰাচৰ হৈ থকা ৰোগসমূহৰ উপযুক্ত চিকিৎসা লাভ কৰাৰ উপৰি গৰ্ভৱতী মহিলা আৰু প্ৰসৱৰ বাবে প্ৰসুতিসকলে উপযুক্ত সুবিধা লাভ কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰতিখন জিলাৰ কেইবাখনো গাঁৱক লৈ স্বাস্থ্য বিভাগে এখনকৈ উপস্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

oooooooo

**সমাপ্ত**